

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১৭

মোগলযুগ: সমাজ আৰু সংস্কৃতি

অংশ – ১

পৰিনীতা দেৱী

শিকনৰ ফলাফল

- মোগলসকলৰ সমাজ ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব।
- ভাৰতবৰ্ষৰ সাংস্কৃতিক দিশত মোগলসকলৰ অৱদানৰ লগত পৰিচয় হ'ব।




মোগল যুগৰ সমাজ ব্যৱস্থা

- মোগল যুগৰ সামাজিক ব্যৱস্থাত ৰজাসকলে শীৰ্ষস্থান দখল কৰিছিল।
- ইৰাণী (ইৰাণৰপৰা অহা), তুৰাণী (তুৰ্কীৰপৰা অহা), আফগানী (আফগানিস্তানৰপৰা অহা), মোগল, শ্বেইখজাদা (থলুৱা মুছলমান লোক) আৰু ভাৰতীয় হিন্দুসকলৰে গঠিত অভিজাত শ্ৰেণীটো ইয়াৰ পাছত আছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- হিন্দুসকলৰ মাজত মাৰাথা আৰু ৰাজপুতসকলে উচ্চস্থান পোৱা দেখা গৈছিল।
- তৃতীয় স্থানত জামিদাৰ আৰু কৰতলীয়া সৰু সৰু ৰজাসকল আছিল।
- বণিক, সদাগৰ, কবিৰাজ, আন বিষয়া-আমোলাৰে মধ্যবিত্ত শ্রেণীটো গঢ়ি উঠিছিল। কৃষক, শ্রমিক, দাস-দাসী, ক্ষুদ্র ব্যৱসায়ী ইত্যাদিবোৰ একেবাৰে তলৰ শ্রেণীত আছিল।

- সেইসময়ত দুই প্রকাৰৰ কৃষক দেখিবলৈ পোৱা গৈছিল
  ১. খোদ কাস্তা (নিজৰ মাটিত খেতি কৰা)
  ২. পাহি কাস্তা (আনৰ মাটিত খেতি কৰা),



মোগলযুগৰ স্থাপত্য-ভাস্কৰ্যঃ

বাবৰ

- ভাৰতবৰ্ষত মোগল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল বাবৰে। বাবৰ এগৰাকী প্ৰখ্যাত কলাপ্ৰেমী আছিল। তেওঁ বৰ কম দিন ৰাজত্ব কৰিছিল যদিও সেই কম সময়ৰ ভিতৰতে শিল্পকলাৰ উন্নতিৰ অহোপুৰুষাৰ্থ কৰিছিল। কিন্তু সময়ৰ অভাৱ আৰু জটিল ৰাজনৈতিক পৰিস্থিতিত

- ই কার্যকৰী হোৱা নাছিল যদিও তাৰ মাজতে তেওঁ স্থাপত্যলৈ যি অৱদান আগবঢ়াই গৈছে সেইখিনিয়ে তেওঁৰ কলা সুলভ মনৰ পৰিচয় দাঙি ধৰে। বাবৰৰ স্থাপত্য কর্মৰ ভিতৰত বিখ্যাত।আছিল পাণিপতৰ 'কাবুলবাগ' আৰু চম্বলৰ' জুমা মছজিদ'।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



কাবুলবাগ



চম্বলৰ জুমা মছজিদ

হুমায়ুন

- বাবৰৰ পুত্ৰ হুমায়ুনো এজন কলা-সংস্কৃতিৰ পৃষ্ঠপোষক আছিল। নানা যুদ্ধ-বিগ্ৰহৰ মাজতো সময় উলিয়াই তেওঁ পার্থিয়ান আৰ্হিত বহুতো অট্টালিকা নির্মাণ কৰি স্থাপত্য শিল্পৰ বিকাশত অৰিহণা যোগাইছিল। হাৰিয়ানাৰ হিচাৰ জিলাৰ ফাতেহাবাদত থকা মছজিদ আৰু দিল্লীৰ হুমায়ুন সৌধ তেওঁৰ শিল্প প্ৰীতিৰ অন্যতম স্বাক্ষৰ। পার্ছীয়ান কাৰিকৰ মিৰাক মির্জা গিয়াছ্ ইয়াৰ নির্মাতা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



হুমায়ুনৰ সমাধি



হাৰিয়ানাৰ হিচাৰ জিলাৰ ফাতেহাবাদত থকা মছজিদ

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



ছেৰছাহ

- আফগান নেতা ছেৰছাহে ভাৰতীয় শিল্প-সংস্কৃতিলৈ অভূতপূর্ব অৱদান আগবঢ়াইছিল।
- যদিও এজন দক্ষ প্রশাসক আৰু যোদ্ধা, তেওঁৰ চমু শাসনকালত তেওঁ শিল্প আৰু সংস্কৃতিকো পৃষ্ঠপোষকতা কৰিছিল, যিয়ে তেওঁৰ সংস্কৃতিৱান মানসিকতাক প্রতিফলিত কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



আকবৰ

- মহামতি আকবৰৰ শাসনকালত যেনেকৈ দেশত শান্তি আৰু প্ৰগতি স্থাপন হৈছিল তেনেকৈ শিল্প, স্থাপত্য তথা চিত্ৰকলাৰ বিকাশেও চৰম সীমা পাইছিল। লাহোৰ, এলাহাবাদ, আগ্ৰা, ফতেহপুৰ চিক্ৰী আৰু অন্যান্য ঠাইত আকবৰে যিবিলাক অট্টালিকা, মছজিদ, সমাধি, দৰৱাজা আদি নিৰ্মাণ কৰাইছিল, প্ৰতিটোতেই আকবৰৰ কলা সুলভ মনোভাব প্ৰকাশ পাইছিল।

- ফতেহপুৰ চিক্ৰীৰ অট্টালিকাই আকবৰৰ সপোনৰ ঐক্যবদ্ধ ভাৰতক প্ৰতিফলিত কৰিছিল। কাৰণ পাৰ্ছী, হিন্দু আৰু ইছলামীয় শিল্পৰীতিৰ সংমিশ্ৰনেৰে এইবোৰ সাজি উলিওৱা হৈছিল। আকবৰৰ দিনত অট্টালিকা নিৰ্মাণত ৰঙা শিলৰ গুৰি ব্যৱহাৰ কৰা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



ফতেহপুৰ চিক্ৰী



আকবৰৰ সমাধি

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



জাহাংগীৰ

- জাহাংগীৰে কলাত্মক দক্ষতা প্ৰদৰ্শন কৰাৰ লগতে ভাস্কৰ্য্যৰ বিকাশত সহযোগিতা আগবঢ়াইছিল।
- যদিও তেওঁৰ বহু অট্টালিকা প্ৰাকৃতিক দুৰ্যোগ আৰু ৰাজনৈতিক সংকটৰ ফলত ধ্বংস হৈছিল, তথাপিও তেওঁ শিল্প আৰু সংস্কৃতিক বহু পৰিমাণে পৃষ্ঠপোষকতা কৰিছিল বুলি উমান পোৱা যায়।

মূল্যায়ন



1 | হুমায়ুনৰ সমাধি নিৰ্মাণ কৰিছিল -

A বাবৰ

B হুমায়ুন

C জাহাংগীৰ

মূল্যায়ন



2 | মোগল সাম্ৰাজ্যৰ দিনত নিজৰ মাটিত খেতি কৰা কৃষকক বোলা হৈছিল -

A খোদকাস্তা

B পাহিকাস্তা

মূল্যায়ন



3 | মোগল যুগৰ সামাজিক ব্যৱস্থাত ৰজাসকলে শীৰ্ষস্থান দখল কৰিছিল

A শুদ্ধ

B অশুদ্ধ